জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮৪/২০২০

**টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ চৌহদত নিৰ্মিত ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰ মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ক্ষুদ্ৰ চাহ খেতিয়কসকলে এতিয়াৰে পৰা জিলা উপায়ুক্ত কাৰ্যালয় পৰ্যায়তে মাটিৰ পট্টা লাভ কৰিব

## টোকলাই চাহ গৱেষণা কেন্দ্ৰত জৈৱিক চাহ খেতিৰ বাবে এটা গৱেষণা কেন্দ্ৰ স্থাপন কৰিব ৰাজ্য চৰকাৰে

**ক্ষুদ্ৰ চাহ খেতিয়কলৈ মাটিৰ পট্টা প্ৰদানৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**দিছপুৰ, ১৫ অক্টোবৰ ঃ** ৰাজ্যৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে এতিয়াৰে পৰা নিজ নিজ জিলাৰ উপায়ুক্তৰ কাৰ্যালয় পৰ্যায়তে মাটিৰ পট্টা লাভ কৰিব। ৰাজ্যৰ উপায়ুক্তসকলক এই ক্ষমতা প্ৰদান কৰি ৰাজহ বিভাগে অতি শীঘ্ৰেই যাৱতীয় অধিসূচনা জাৰি কৰিব। আজি যোৰহাটৰ টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ চৌহদত নিৰ্মিত ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘোষণা কৰে। একেই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে আজি ৬ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়কক প্ৰতিকীভাৱে মাটিৰ পট্টা প্ৰদান কৰি ক্ষুদ্ৰ চাহ খেতিয়কলৈ মাটিৰ পট্টা প্ৰদান কাৰ্যসূচীও আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ‘মিছন আছাম কুৱালি-টী’ প্ৰকল্পক বাস্তৱায়িত কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে বাজেটত ধাৰ্য কৰা ১৭ কোটি টকাৰে নিৰ্মিত ক্ষুদ্ৰ চাহ খেতিয়কৰ এই প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰটিত ৫.৮৩ কোটি টকা ব্যয়ৰে এটা মূল ভৱন নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰটিৰ ভূমি মহলাত ৪ টা পৰীক্ষাগাৰ আৰু প্ৰথম মহলাত ৪ টা শ্ৰেণীকোঠাৰ ব্যৱস্থা ৰখা হৈছে। চাহৰ মান নিৰূপণ, টী ষ্টেটিং আৰু ডাইভাৰ্ছিফিকেশ্যন, মেকানাইজেশ্যন আৰু বায়’কনট্ৰ’ল অধ্যয়ন আদি বিভিন্ন সুবিধা এই কেন্দ্ৰত উপলব্ধ হ’ব। কেন্দ্ৰত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে প্ৰশিক্ষণ আৰু ডেমনষ্ট্ৰেশ্যনৰো ব্যৱস্থা থাকিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাহ উদ্যোগ অসমৰ স্বাভিমানৰ প্ৰতীক। বিশ্বৰ বজাৰত অসমে নিজস্ব পৰিচয়ৰে আত্মপ্ৰকাশ কৰিছিল চাহৰ যোগেদিয়েই। ২০০ বছৰ ধৰি বিশ্বৰ বজাৰত দপদপাই থকা অসমৰ চাহে আজি তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ’ব লগা হৈছে। এই প্ৰতিযোগিতাৰ

যুগত আন্তঃৰাষ্ট্ৰীয় বজাৰত তিষ্ঠি থাকিবলৈ হ'লে আমি চাহৰ গুণগত মান উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব। প্ৰতিটো চাহ পুলিয়ে খেতিয়কগৰাকীৰ পৰা সমানে আদৰ লাভ নকৰিলে আৰু "এটি কলি, দুটি পাত" বুলি জনাজাত চাহৰ মূল নীতি উলংঘা কৰিলে উৎপাদিত চাহ পাতৰ গুণগতমান কেতিয়াও অটুট ৰাখিব পৰা নাযাব। আজি মুকলি কৰা ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰটিয়ে এই দিশত এক নতুন বাতাবৰণৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

অসমৰ চাহ উদ্যোগক এক নতুন পৰিচয় প্ৰদানৰ দিশত টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ অৱদানৰ কথা স্মৰণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এটা শতিকা অতিক্ৰম কৰা এই প্ৰতিষ্ঠানটোৱে এতিয়া বিশ্বৰ বজাৰ দখল কৰাৰ সময় সমাগত। ১০৯ বছৰীয়া বিশাল অভিজ্ঞতাৰে পুষ্ট এই গৱেষণা প্ৰতিষ্ঠানে নিজৰ গৱেষণালব্ধ সমল আৰু অভিজ্ঞতাৰে অসমৰ চাহক সাম্প্ৰতিক আন্তঃৰাষ্ট্ৰীয় বজাৰত সৰ্বোকৃষ্ট ৰূপত প্ৰক্ষেপন কৰাৰ বাবে দায়িত্ব গ্ৰহণ কৰিব লাগিব। পৰম্পৰাগত পৰিধিৰ পৰা আঁতৰি এই প্ৰতিষ্ঠানটোৱে নিজৰ কৰ্মক্ষেত্ৰৰ পৰিসৰ উত্তৰ-পূৰ্বাঞ্চলৰ কেওখন ৰাজ্যলৈ সম্প্ৰসাৰিত কৰিব লাগিব। ক'ভিড-১৯ ৰ সময়ত অসমৰ কলা চাহৰ স্বাস্থ্যকৰ গুণাগুণৰ বিষয়ে বিশ্ববাসী সজাগ হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মাথোঁ পানীয় হিচাপেই নহয়, চাহত অন্তৰ্নিহিত হৈ থকা ঔষধি গুণসমূহৰ আৱিষ্কাৰ কৰি ইয়াৰ বিপণনৰ দায়িত্বও এই প্ৰতিষ্ঠানটোৰ ল'ব লাগিব।

অসমৰ চাহ উদ্যোগৰ উত্তৰণত বৃহৎ চাহ বাগিছাসমূহৰ সমান্তৰালভাৱে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰো প্ৰভূত অৰিহণা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৃহৎ আৰু ক্ষুদ্ৰ উভয় চাহ বাগিছাই যৌথভাৱে কাম কৰিলেহে অসমৰ চাহ উদ্যোগক আগবঢ়াই নিব পৰা যাব। বিগত সময়ছোৱাত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ দ্বাৰা উৎপাদিত চাহৰ গুণগত মানকলৈ বহুতো প্ৰশ্নবোধকৰ উদয় হৈছিল বুলি মন্তব্য কৰি উন্নতমানৰ চাহ উৎপাদনক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবলৈ ৰাজ্যখনৰ সংগঠিত আৰু অসংগঠিত খণ্ডৰ প্ৰায় ২ লাখ ক্ষুদ্ৰ চাহ খেতিয়কলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আজি মুকলি কৰা ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰই এই দিশত সজাগতা গঢ়াৰ লগতে চাহ খেতিয়কসকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰতো কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সৌন্দৰ্য সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। এই সেউজ বাতাবৰণ আৰু জীৱ বৈচিত্ৰ অটুট ৰাখিবলৈ হ'লে আমি জৈৱিক কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবই লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূব ভাৰতক দেশৰ জৈৱিক কৃষিৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ যি লক্ষ্য গ্ৰহণ কৰিছে তাক সাকাৰ ৰূপ দিয়াৰ বাবে চাহ খেতিয়কসকলেও দায়িত্ব ল'ব লাগিব। ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যৰ আধাৰত জৈৱিক চাহৰ উৎপাদন, গৱেষণা আৰু বিপণনৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ পৰম্পৰাগত কলা চাহপাত, সেউজীয়া আৰু বগা চাহৰ লগতে চাহৰ পৰা প্ৰস্তুত কৰিব পৰা উপজাত দ্ৰব্যসমূহৰ উপযুক্ত গৱেষণাৰ দিশতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ ইচ্ছা অনুসৰি টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ চৌহদত জৈৱিক চাহৰ এটি গৱেষণাগাৰ স্থাপন কৰা হ'ব বুলি আজিৰ অনুষ্ঠানতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমৰ সৰ্বাংগীন উন্নয়নৰ দিশত প্ৰদান কৰা গুৰুত্বৰ বাবেই আজি ৰাজ্যখনৰ উদ্যোগে আন্তঃগাঁথনিৰ দিশতো দোপদদোপে আগুৱাই যাবলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত গুৱাহাটীত অনুষ্ঠিত বিশ্ব বিনিয়োগ সন্মিলনত দেশ-বিদেশৰ বিভিন্ন বিনিয়োগকাৰীসকলৰ লগত স্বাক্ষৰিত ৭৯০০০ কোটি টকাৰ ২৪০ খন বুজাবুজিৰ চুক্তিৰ সুফল ৰাজ্যখনে লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰে ৫৪ হাজাৰ কোটি টকাই সম্প্ৰতি ৰাজ্যখনত বিনিয়োগৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ এমএছএমই খণ্ডৰ বাবে ঘোষণা কৰা তিনি লাখ কোটি টকাৰ বিশেষ পেকেজৰ পৰা ৰাজ্যখনৰ ৯৮ হাজাৰ টা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানে ১৯০০ কোটি টকাৰ ঋণ লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। উদ্যোগ খণ্ডৰ লগতে কৃষি, মীন আদি খণ্ডসমূহৰ বাবে ঘোষণা কৰা প্ৰধানমন্ত্ৰীৰ পেকেজৰ সুফল গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ ৰাজ্যৰ কৃষক, উদ্যোগী আৰু নৱ প্ৰজন্মৰ প্ৰতি মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ সঞ্চালক অনুপ কুমাৰ বৰুৱাই আঁত ধৰা আজিৰ এই অনুষ্ঠানত যোৰহাট সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামী, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন আৰু টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ প্ৰভাত কমল বেজবৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিৱেদী, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, অসম ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদ আৰু বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ প্ৰতিনিধিসকলকে ধৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বহু সংখ্যক ক্ষুদ্ৰ চাহ খেতিয়ক আৰু বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**১৫/১০/২০২০**